জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৫/২০১৯

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীয়ে
ৰাজ্যখনৰ ৰে'লৰ প্ৰকল্প সমূহৰ দ্ৰুত অনুমোদন জনোৱাৰ আহ্বান মুখ্যমন্ত্ৰীৰ
ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ বাবে ৰে'ল বিভাগৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ সমূহ সংৰক্ষণৰ দিশত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে

দিছপুৰ, ৪ জুলাই ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী পীযুষ গোৱেলক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ ৰঙিয়া হৈ বঙাইগাওঁ-কামাখ্যা ৰে'ল পথৰ দ্বৈতকৰণ প্ৰকল্প, শৰাইঘাট দলঙৰ ৰে'লপথ দ্বৈতকৰণ আৰু তেজপুৰ-শিলঘাটৰ মাজৰ নতুন ৰে'ল পথ প্ৰকল্পৰ ক্ষীপ্ৰ অনুমোদনৰ দিশত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ হস্তক্ষেপ বিচাৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ মনোযোগ আকৰ্ষণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যদিও ৰে'ল মন্ত্ৰালয়ৰ পিংক বুকত এই প্ৰকল্প তিনিটা অন্তৰ্ভূক্ত কৰা হৈছে, তৎস্বত্তেও সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা এই দিশত ক্ষীপ্ৰ অনুমোদন কৰাৰ ব্যৱস্থা কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দৰং জিলাক সামৰি ৰঙিয়াৰ পৰা ডেকাৰগাঁৱলৈ নতুন ৰে'ল পথৰ জৰীপ কাৰ্য চলাই থকা হৈছে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই জৰীপ কাৰ্য অতি শীঘ্ৰে সমাপন কৰি যথাসম্ভৱ শীঘ্ৰে এই প্ৰকল্পৰ অনুমোদনৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী গৰাকীক সৰহভোগৰ গৰখীয়া গোঁসাই থানৰ পৰা বৰপেটা সত্ৰ, বহৰি সত্ৰ, সৰ্থেবাৰী নসত্ৰ আৰু হাজো পোৱামক্কা হৈ আমিনগাঁৱলৈ নতুন ৰে'ল পথৰ জৰীপ চলোৱাৰ বাবে অনুমোদন জনাবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্য সমূহলৈ আলু, পিয়াজ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ সূচল পৰিৱহনৰ বাবে পৰ্যাপ্ত ৰেকৰ ব্যৱস্থা কৰাৰ দিশটো কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ হস্তক্ষেপ বিচাৰে।

মুখ্যমন্ত্ৰীয়ে গোগামুখ-কমলাবাৰী-গড়মুৰ আৰু যোৰহাট সংযোগী নতুন ৰে'ল পথ নিৰ্মাণৰ দিশত বৰ্তমানে চলাই থকা জৰীপ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ দিশত ৰে'ল মন্ত্ৰালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশনা দিয়াৰ বাবেও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক আহ্বান জনায় যাতে এই প্ৰকল্পৰ কাম সোনকালে আৰম্ভ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্য সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে দিল্লী তথা অন্যান্য মেট্ৰ' চিটি সমূহলৈ যাত্ৰা কৰাৰ দিশত ভাড়া ৰেহাইৰ এটা পদ্ধতি আৰম্ভ কৰাৰ বাবেও আহ্বান জনায় যাতে মেধাৱী ছাত্ৰ-ছাত্ৰীসকল লাভান্বিত হ'ব পাৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ বাহিৰত সীমিত ষ্ট'পেজৰ ব্যৱস্থাৰে ডিব্ৰুগড়-গুৱাহাটী আৰু শিলচৰৰ পৰা ভাৰতৰ পশ্চিম প্ৰান্তৰ মুম্বাই আৰু পুনে, দক্ষিণ প্ৰান্তৰ ভেল'ৰ, চেন্নাই, বাংগালোৰ, ত্ৰিবান্দ্ৰম আৰু কোঁচি তথা উত্তৰ প্ৰান্তৰ অমৃতশৰ আৰু জম্মুলৈ ছুপাৰফাষ্ট ৰে'ল সেৱা আৰম্ভ কৰাৰ বাবেও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক অনুৰোধ জনায়।

সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্যোগ আৰু অন্যান আন্তঃগাঁথনিৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল পিছপৰি থকাৰ দিশটোও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পৰিপ্ৰেক্ষিটতে উত্তৰ-পূৰ্বাঞ্চলৰ নিয়োগৰ সম্ভাৱনীয়তাৰ স্বল্পতাৰ দিশটো আঙুলিয়াই দি ৰে'ল বিভাগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত এই অঞ্চলৰ যুৱক-যুৱতীসকলৰ সুকীয়া সংৰক্ষণ কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ সুকীয়া অন্তৰ্ভূক্তিৰে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আওতাৰ সীমাৰ পুনৰ গঠন কৰাৰ বাবেও আহ্বান জনায় যাতে এই অঞ্চলৰ ৰে'লৰ উন্নয়নে বিশেষ অগ্ৰাধিকাৰ লাভ কৰিব পাৰে।

মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই ৰে'ল মন্ত্ৰী পীযুষ গোৱেলে মুখ্যমন্ত্ৰীক কয় যে তেওঁৰ মন্ত্ৰালয়ে ৰাজ্যখনৰ প্ৰকল্প সমূহ অনুমোদন জনোৱাৰ উপৰি অসমৰ ৰে'ল সেৱাৰ উত্তৰণৰ দিশত অধিক গুৰুত্ব প্ৰদান কৰিব। তেওঁ লগতে কয় যে তেওঁৰ মন্ত্ৰালয়ৰ ৰে'লৱে পৰিসৰ বৃদ্ধি পৰিকল্পনা অনুসৰি সকলোবোৰ ষ্টেচনকে ৱাই-ফাই জ'ন আৰু ষ্টেচন সমূহৰ সৌন্দৰ্যৱৰ্দ্ধনৰ দিশত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

আজিৰ এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীৰ সৈতে খাদ্য প্ৰস্তুতকৰণ আৰু সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ লগতে বিজেপি সাংসদসকল উপস্থিত থাকে।

সুঃদঃ / বঃভাঃ
৪/৭/২০১৯